BN-7

# ফিশ্বিং আক্ৰমণ সম্বন্ধে গ্ৰাহকলৈ ৰিজাৰ্ভ বেঙ্কৰ গুৰুত্বপূৰ্ণ জাননী

- **ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ পৰা পঠিওৱা বুলি দাবী জনোৱা ফিশ্বিং ই-মেইলৰ প্ৰতি সঁহাৰি নিদিব।**

- ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ এই কথা দৃষ্টি গোচৰ হৈছে যে ''বেঙ্কৰ গ্ৰাহকলৈ তেওঁলোকৰ বেঙ্ক একাউন্টৰ বিৱৰণ আপডেট কৰাৰ আমন্ত্ৰণ জনাই'' ইয়াৰ নামত ই-মেইল পঠিওৱা হৈছে।

- ৰিজাৰ্ভ বেঙ্কে ইয়াৰ দ্বাৰাই স্পষ্টকৈ জনাইছে যে এনে কোনো ই-মেইল ই পঠিওৱা **নাই**। কোনো উদ্দেশ্যেই ৰিজাৰ্ভ বেঙ্কে বা বেঙ্ক সমূহে বেঙ্ক একাউন্টৰ বিৱৰণ বিচাৰি কেতিয়াও কোনো যোগাযোগ নকৰে। **এনে ই-মেইলৰ প্ৰতি সঁহাৰি নজনাবলৈ আৰু নিজৰ বেঙ্ক একাউন্টৰ সবিশেষ কথা আন কোনো লোকক কেতিয়াও নজনাবলৈ ৰিজাৰ্ভ বেঙ্কে সৰ্বসাধাৰণ ৰাইজলৈ গোহাৰি জনাইছে।**

- প্ৰবঞ্চকৰ দলে সৰ্বসাধাৰণ লোকলৈ চিঠি-পত্ৰ, ই-মেইল, ম'বাইল ফোন, এচএমএচ ইত্যাদিৰ জৰিয়তে বিভিন্ন আকৰ্ষণীয় অফাৰো পঠিয়ায়। এই অফাৰসমূহ বিশ্বাসযোগ্য কৰি তুলিবলৈ, এনেদৰে যোগাযোগ প্ৰায়ে কৰা হয় এনে লেটাৰহেড/ৱেবচাইটৰ দ্বাৰা, যাক আপাতদৃষ্টিত ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ দৰে কোনো চৰকাৰী কৰ্তৃপক্ষৰ তৰফৰ পৰা অহা যেন লাগে। এনে কৰ্তৃপক্ষৰ শীৰ্ষ কাৰ্যপালিকা/জ্যেষ্ঠ বিষয়াই অফাৰসমূহত চহী কৰি দিয়া যেন দেখুওৱা হয়, কিন্তু কেৱল পদাধিকাৰীৰ নামহে এই ক্ষেত্ৰত সঠিক হ'ব পাৰে, চহীবিলাক পিছে ভুৱা। ৰিজাৰ্ভ বেঙ্কৰ/চৰকাৰী কৰ্তৃপক্ষৰ কোনো বিভাগত কৰ্মৰত তথাকথিত আৰবিআই বিষয়াৰ যোগাযোগৰ বিৱৰণো অফাৰ ডকুমেন্টত উল্লেখ কৰা থাকে। **বিদেশৰ পৰা ধনৰ এনে অফাৰৰ প্ৰতি কোনো ধৰণেৰেই সঁহাৰি নজনাবলৈ ৰিজাৰ্ভ বেঙ্কে জনসাধাৰণক সৰ্তক কৰি দিছে।**

- **তদুপৰি জনসাধাৰণক কোনো অজ্ঞাত পক্ষৰ পৰা অহা এনে ধৰণৰ আঁচনি/অফাৰত অংশগ্ৰহণৰ বাবে কোনো ধন প্ৰেৰণ নকৰিবলৈও সতৰ্ক কৰি দিয়া হ'ল,** যিহেতু এনে ধৰণৰ ধন প্ৰেৰণ হ'ল বে-আইনী তথা যিকোনো ভাৰতীয় নিবাসীয়ে এনে ধন ভাৰতৰ বাহিৰলৈ প্ৰত্যক্ষ/পৰোক্ষভাবে প্ৰেৰণ কৰিলে/তাত আদায় দিলে, তেওঁৰ বিৰুদ্ধে ফৰেন এক্সচেঞ্জ মেনেজমেন্ট এক্ট 1999 লঙ্ঘনৰ কাৰণে আইনগত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে তেওঁ নিজে দায়ী হ'ব। এনে অফাৰ হ'ল প্ৰবঞ্চনামূলক আৰু এনে অফাৰ প্ৰাপ্ত কৰাৰ ক্ষেত্ৰত বা এনে কোনো প্ৰবঞ্চনাৰ ভুক্তভোগী হলে জনসাধাৰণে অবিলম্বে স্থানীয় পুলিচ/চাইবাৰ-অপৰাধ সম্বন্ধীয় কৰ্তৃপক্ষৰ ওচৰত অভিযোগ দাখিল কৰা উচিত।

- **ৰিজাৰ্ভ বেঙ্কে টকা-পইচা সংক্ৰান্ত কোনো ধৰণৰ বন্দৱস্তৰ সৈতে, লাগিলে যি নামেৰেই নহওক, জড়িত নেথাকে তথা এনে ভুৱা অফাৰলৈ সঁহাৰিস্বৰূপে পঠিওৱা ধন উদ্ধাৰ কৰাৰ বাবে কোনো দায়িত্ব গ্ৰহণ নকৰে।**

Validity : Permanent
Ver : BN7_V1.0_Sep11

এইচডিএফচি বেঙ্ক
আমি বুজি পাওঁ আপোনাৰ সংসাৰ